কওঁ আমি বিজ্ঞান শাখাৰ ছাত্ৰবোৰে আৰ্টছ বিল্ডিঙলৈ আহিবলৈ বৰ ভাল পাইছিলো। নাজানো- কিবা এটা আকৰ্ষণে টানি ধৰিছিল। সেইবাবেই নেকি অসমীয়া আৰু ইংৰাজীৰ ক্লাচটোলৈ আহিবলৈ কোনোপধ্যেই পাহৰা নাছিলো। শেষত অৱশ্যে তাৰ কিছু ব্যতিক্ৰম হ'বলৈ আৰম্ভ কৰিছিল। এই দুটা ক্লাচত মাজে মাজে আৰ্টছ বিল্ডিঙৰ জুতি ল'বলৈ আৰম্ভ কৰিছিলো। এই দুটা ক্লাচৰ পাছত যদি বৰষুণ আহে আমি খুব ভাল পাইছিলো। কাৰণ বৰষুণৰ বাবে ছাইঞ্চ বিল্ডিঙলৈ ক্লাচ কৰিবলৈ যাব নোৱাৰা বুলি অজুহাত দেখুৱাই আৰ্টছ বিল্ডিঙত আড্ডা পিটিছিলো। আৰু কলেজ কৰিডৰ! যি হেনো জে.এন. কলেজ কৰিডৰত বতাহ খাই আড্ডা দিয়া নাই সি হেনো জে.এন.ৰ মজাই লোৱা নাই। আজিকালি অৱশ্যে বাৰাণ্ডাখন দিয়াৰ পৰা বতাহৰ পৰিমাণ কিছু কমিল। আহঃ কি যে স্মৃতি সেই দিনবোৰ। স্মৃতিৰ সঁফুৰা খুলি দিলে আজিও পাগল হৈ পৰো।

এনেকৈয়ে দিনবোৰ গ'ল। স্নাতক মহলাত নাম লগালো। দিন বাগৰিছে, সময়বোৰ উকলি গৈ আছিল। কবিতা, ক্ৰিকেট, প্ৰেম, আড্ডা, কেন্টিন, ক্লাচ, প্ৰেক্টিকেল তেনেকৈ দিনবোৰ গৈছিল। শেষত এটা দিন চমু হৈ আহিছিল কলেজ জীৱনৰ যৱনিকা পৰাৰ দিনটো। বৰ কষ্টদায়ক! বৰ কষ্ট হৈছিল যে আমিবোৰেও কলেজখন এৰি যাব লাগিব। কিন্তু যাবতো লাগিবই। কিন্তু ঠিক সেই সময়ত ২০১০ চনৰ ডিচেম্বৰ মাহৰ কোনোবা এটা দিন। মোৰ ওচৰলৈ মোৰ জুনিয়ৰ দুজনমানে এটা প্ৰস্তাৱ লৈ আহিছিল যে 'সৃষ্টি' নামৰ এটা দল খোলা যাব, কলেজৰ বৰ্তমান কিছুসংখ্যক ছাত্ৰ-ছাত্ৰীক লৈ যাৰ উদ্দেশ্য আছিল সাহিত্য, সংস্কৃতি, সমাজক লৈ কিবা এটা কৰাৰ। লগত মইও থাকিব লাগে। লগে লগেই মই সেই প্ৰস্তাৱ আঁকোৱালি লৈছিলো। পৰীক্ষা আহিল, গ'ল আৰু ২০১১ চনত স্নাতক হিচাপে বকো জৱাহৰলাল নেহৰু মহাবিদ্যালয়ৰ পৰা ওলালো। দলটিত থাকি গ'লো প্ৰাক্তন ছাত্ৰ হিচাপে মই আৰু মোৰ বন্ধু দুজন। ভাল লগা বহুত কামেই কৰিলো- আলোচনী উলিয়ালো, কবিতা পুথি উলিয়ালো, কৰ্মশালা পাতিলো, শিশু দিৱস পাতিলো ইত্যাদি। কিমানদূৰ সফল হ'ব পাৰিছো আমিবোৰে নাজানো। কিন্তু কৰি গৈ আছো। বহুকেইজন ছাত্ৰ প্ৰাক্তন ছাত্ৰ হ'ল এইবাৰ মোৰ নিচিনাই। কিন্তু তেওঁলোকেও কৰি গৈছে অলেখ হেঁপাহেৰে.... আশাৰে....।

সঁচাকৈ, স্মৃতিবোৰ আজিও জলজলকৈ ভাহি উঠে চকুৰ আগত, মনৰ মাজত। একোকে পাহৰিব নোৱাৰো আড্ডা, ক্ৰিকেট, কবিতা, নাটক, কলেজ কৰিডৰ, জুলজি, জে.পি. ছাৰ ইত্যাদি ইত্যাদি। সেইবাবেই নেকি কলেজত আজিও কিবা এটা অনুষ্ঠান হ'লে ঢাপলি মেলি যাওঁ। কিজানিবা বিচাৰিয়েই পাওঁ পুৰণি স্মৃতিৰ দিনবোৰ... যিবোৰে মোলৈ কঢ়িয়াই লৈ আনে সপোন, সম্ভাৰ, আৱেগ.......।।

## কৌতুক



*পুলিচ ঃ (চোৰক উদ্দেশ্য কৰি) এই লাঠিডাল দেখিছনে?*
*চোৰ ঃ দেখিছো ছাৰ। পিছে আপুনি মোৰ এই ভৰিদুখন দেখিছেনে?*
*পুলিচ ঃ (খঙত) ঐ বেটা, ভৰিৰে তই কি কৰিবি?*
*চোৰ ঃ ছাৰ, দৌৰ মাৰি পলাম।*

*প্ৰথম ব্যক্তি ঃ যুদ্ধত মই সাহৰ পৰিচয় দিছিলো। শত্ৰুপক্ষৰ লোক এজন দেখি আগবাঢ়ি গ'লো। আৰু গৈ হাতখন কাটি লৈ আহিলো।*
*দ্বিতীয় ব্যক্তি ঃ হাতখন কটাতকৈ মূৰটো নাকাটিলা কিয়?*
*প্ৰথম ব্যক্তি ঃ কাৰণ মূৰটো কোনোবাই আগতে কাটি লৈ গৈছিলা।*

# অনুভৱৰ একলম

করুণা কলিতা
প্ৰাক্তন ছাত্ৰ

পোনপ্ৰথমে মোক একলম লিখাৰ সুযোগ দিয়াৰ বাবে আলোচনী সম্পাদিকা আৰু আলোচনী সম্পাদনা সমিতিক অশেষ ধন্যবাদ জ্ঞাপন কৰিলো। এই বছৰতে আমাৰ সকলোৰে অতি মৰমৰ জৱাহৰলাল নেহৰু মহাবিদ্যালয়খনিয়ে প্ৰায় ৫০ টি গৌৰৱোজ্জ্বল বৰ্ষ অতিক্ৰম কৰিলে। বকোৰ নিচিনা পিছপৰা অঞ্চল এটাত এই শিক্ষানুষ্ঠানখনিয়ে হেজাৰজনক জ্ঞানৰ পোহৰ দেখুৱালে, জীৱনত আগুৱাই যাবলৈ সাহস যোগালে। ২০০5 বৰ্ষত এই মহাবিদ্যালয়তে নামভৰ্তি কৰিছিলো বুকুত অলেখ সপোনৰ জোলোঙা বান্ধি। আৰু যেন পলকতে সমাপ্তি ঘটিল মোৰ কলেজীয়া জীৱনৰ। গমকেই নাপালো কেনেকৈ পাৰ হ'ল ৫টি বছৰৰ সুদীৰ্ঘ কালছোৱা। সঁচাকৈয়ে জৱাহৰলাল নেহৰু মহাবিদ্যালয়ে মোৰ জীৱনলৈ আশাৰ বতৰা আনিলে আৰু মোক জীৱনৰ প্ৰকৃত ছবিখনৰ সৈতে চিনাকি কৰালে। মহাবিদ্যালয়খনিৰ আটাইকেইগৰাকী ছাৰ-বাইদেউৰ অকৃত্ৰিম মৰম-আশীৰ্বাদে কলেজীয়া জীৱনৰ কঠিন সময়খিনিৰ মুখামুখি হোৱাত অফুৰন্ত প্ৰেৰণা যোগালে। তেওঁলোকৰ মৰম-আশীৰ্বাদৰ ঋণ বুকুত কঢ়িয়াই লৈ ফুৰিম আজীৱন।

আজি প্ৰথমবাৰৰ বাবে 'জৱাহৰজ্যোতি'ত প্ৰাক্তন ছাত্ৰ হিচাপে লিখি থাকোতে বুকুত এটি মৃদু বিষ অনুভৱ কৰিছো। কিন্তু ই যে এক অপ্ৰিয় সত্য, কিয়নো দুবছৰ আগতেই মই এই মহাবিদ্যালয়ৰ পৰা বিদায় মাগিছো। পলকতে আজি মনটো উৰা মাৰিছে কলেজীয়া জীৱনলৈ। কলেজীয়া দিনৰ প্ৰতিটো মধু স্মৃতি পুনৰ সজীৱ হৈ ধৰা দিছে মনৰ চকুজুৰিত। মনত পৰিছে কলেজৰ ক্লাছবোৰৰ কথা, কলেজ সপ্তাহৰ প্ৰতিযোগিতাবোৰৰ কথা, ক্লাছৰ শেষত লগৰীয়াবোৰৰ লগত মাৰা আড্ডাবোৰৰ কথা আৰু যে কত কি। সঁচাই কি যে অনন্য সুন্দৰ সময় আছিল সেইবোৰ! আৰু চাগে কাহানিও তেনেকুৱা দিন নাহিব জীৱনলৈ। এইচেগতে মহাবিদ্যালয়খনিৰ জৰিয়তে চা-চিনাকি হোৱা প্ৰতিগৰাকী বন্ধু-বান্ধৱীলৈ মোৰ আন্তৰিক মৰম আৰু কৃতজ্ঞতাৰ শৰাই আগবঢ়ালো, ৫টি বছৰৰ প্ৰতিটো সুন্দৰ মুহূৰ্তৰ বাবে। শেষত কৃতজ্ঞতা আৰু শ্ৰদ্ধা যাঁচিলো সেই মহান ব্যক্তিসকললৈ যাৰ অসীম চেষ্টা আৰু ত্যাগৰ ফলত 'জৱাহৰলাল নেহৰু মহাবিদ্যালয়'ৰ জন্ম হৈছিল। জৱাহৰলাল নেহৰু মহাবিদ্যালয় জাকত-জিলিকা হওঁক, সুদুৰ ভৱিষ্যতলৈ ই জ্ঞানৰ সোঁত বোৱাই থাকক তাৰেই কামনাৰে—

"জয়তু জৱাহৰলাল নেহৰু মহাবিদ্যালয়, বকো"।।♥

## জানিবলগীয়া

**আমাৰ চুলি পকে কিয় ?????**

:: আমাৰ চুলিৰ গুৰিত এবিধ ৰঞ্জক পদাৰ্থ থাকে। তাৰ কাৰণে চুলি ক'লা হৈ থাকে। বয়স বাঢ়িলে সেই ৰঞ্জক পদাৰ্থ শেষ হৈ যায়। সেই কাৰণেই চুলি ক'লা হৈ নাথাকি বগা হয়। বগা চুলিকে পকা বুলি কোৱা হয়।

# সোঁৱৰণী, উৰুৱাই লৈ যা মোক...

চয়নিকা দাস
*প্ৰাক্তন ছাত্ৰী*

ন বজাৰ আগতেই ৰুমৰ পৰা ওলালো আমি। বাৰ হাতত হাত ধৰি খোজ দিছো। মনত উৎকণ্ঠা। বুকুত অকণ অকণ ভয়। নতুন দিন, নতুন সময় এয়া। বহুত হেঁপাহেৰে বৈ থকা সময় এয়া। সৰুতে কলেজলৈ যোৱা দাদা বাহঁতক দেখি কিমান যে ভাবিছিলো, কেতিয়া ডাঙৰ হ'ম; কেতিয়া কলেজলৈ যাম! আৰু আজি সেই হেঁপাহৰে অন্ত পেলাই কলেজত মোৰ এয়া প্ৰথম দিন। স্কুলীয়া জীৱনৰ ওৰ পেলাই আজি খোজ দিছো এটি নতুন জীৱনত। কলেজৰ গেট পোৱাৰ লগে লগে এক অজান ভয়ত বুকুখন দুৰু দৰুকৈ কঁপিছিল। মোৰ সকলো ভয় আঁতৰাই বায়ে মিচিকিয়া হাঁহি এটি মাৰি আগুৱাই লৈ গ'ল মোক। বা মোতকৈ এবছৰ আগেয়ে কলেজ পাইছিল। বাৰ হাতত ধৰি আগবাঢ়িছিলো মই। নাহৰৰ তলে তলে খোজ পেলাইছিলো মোৰ কলেজীয়া জীৱনৰ প্ৰথমটি দিনত।

এদিন-দুদিনকৈ কলেজত মোৰ কেইবামাহো পাৰ হৈ গ'ল। আপোন হৈ পৰিল শ্ৰদ্ধাৰ ছাৰ-বাইদেউসকল। আপোন হৈ পৰিল নাহৰ গছবোৰ, কলেজ কেন্টিন, পুথিভঁড়াল, ষ্টেডিয়াম ইত্যাদি ইত্যাদি...। চৌদিশে বিয়পি থকা হ'ল এক চিনাকি সুবাস।

দিন যোৱাৰ লগে লগে মৌচুমী, কৰবী, অনামিকা, লম্পা, পূৰ্ণিমাৰ সৈতে আড্ডাৰ মহলা জমি উঠিছিল আমাৰ। কেতিয়াবা নাহৰৰ তলত, কেতিয়াবা ষ্টেডিয়ামৰ ওপৰত। কেতিয়াবা ক্লাচ নাথাকিলে পুভিঁড়ালৰ কিতাপৰ মাজত ডুব গৈ বিচৰণ কৰিছিলো অন্য এক পৃথিৱীত।

জানুৱাৰী মাহ। গতানুগতিক জীৱনৰ পৰা ফালৰি কাটি আৰম্ভ হৈছিল মহাবিদ্যালয় সপ্তাহ। নতুন আশা, নতুন উদ্যমেৰে খোজ আগবঢ়াইছিলো। 'মৰহা ফুল' নাটখনিৰে বহুবছৰৰ পিছত পুনৰবাৰ নাটকৰ পৰিবেশ গঢ়ি তুলিছিলো কলেজত। ঢোল-পেঁপাৰ মাতত ৰজনজনাই থাকে সেই সাতোটি দিন। লেখা-মেলা, নৃত্য-গীত, অভিনয়ৰ মাজত যেন বিলীন হৈ পৰো আমি। সময়বোৰ পাৰ হয়। আকৌ আৰম্ভ হয় গতানুগতিক জীৱন। ক্লাচ, টিউশ্যন, কিতাপৰ মাজত সোমাই পৰোঁ আকৌ।

মহাবিদ্যালয় সপ্তাহৰ পিছত আমাৰ মনবোৰত উৎসাহ জন্মিছিল কিবা এটা কৰিবলৈ। কলেজৰ বৰ্তমান আৰু প্ৰাক্তন ছাত্ৰৰ সমন্বয়ত এটা দল গঠন কৰিছিলো আমি। বিউটী বা, বৰষা বা, সোণালী, বিউটী, ইলু দা; মন্টু দা, অনুপম দাহঁতৰ লগ লাগি গঢ়ি তুলিছিলো দলটো। আমাৰ উদ্দেশ্য হ'ল — মহাবিদ্যালয়খনৰ বাবে কিবা এটা কৰা, নৱপ্ৰজন্মৰ বাবে কিবা এটা কৰা; সমাজৰ বাবে কিবা এটা কৰা।

গম নোপোৱাকৈয়ে কলেজীয়া জীৱনৰ দুটি বছৰ পাৰ হৈ গ'ল। বি.এ. পঢ়িবলৈ গুৱাহাটীলৈ যাম বুলি থিৰাং কৰাৰ দিনা বিষাদেৰে ভৰি পৰিছিল মন। দুবছৰৰ স্মৃতি বুকুত লৈ এদিন বিদায় মাগিছিলো মোৰ আপোন কলেজখনৰ পৰা। আপোন হৈ পৰা বন্ধু-বান্ধৱীসকলৰ পৰা। কলেজৰ পৰা আঁতৰত থাকিলেও স্মৃতিৰ মানসপটত এতিয়াও সজীৱ হৈ আছে জে. এন. কলেজত পাৰ কৰা প্ৰতিটো দিনৰ কথা, প্ৰতিটো মুহূৰ্তৰ কথা। কলেজৰ গেটটো দেখিলে এতিয়াও মনত পৰি যায় দুৰু দুৰু বুকুৰে খোজ দিয়া কলেজীয়া জীৱনৰ সেই প্ৰথম দিনটোৰ কথা। কলেজৰ সন্মুখেৰে পাৰ হৈ গ'লে দুচকু থৰ হৈ ৰয় নাহৰ গছবোৰত, ষ্টেডিয়ামত, কলেজ কেন্টিনত। আকৌ এবাৰ বিচাৰি যাওঁ নাহৰৰ তলৰ সেই আড্ডাবোৰ, মহাবিদ্যালয় সপ্তাহৰ হাঁহি-ধেমালিবোৰ, মোৰ দুবছৰীয়া কলেজীয়া জীৱনৰ মিঠা মিঠা স্মৃতিবোৰ...।♥

---

## মহৎ লোকৰ বাণী

*সত্যত থকাতকৈ সত্যৰ অন্বেষণ অধিক মূল্যবান।*

— আইনষ্টাইন

# নীলা খামৰ চিঠি

যতীন ৰাভা
*উচ্চতৰ মাধ্যমিক দ্বিতীয় বৰ্ষ*

মৰমৰ মলয়া,

আশা কৰোঁ, তুমি কুশলে আছা। বহুদিন হ'ল তোমাক লগ নোপোৱা। সেয়েহে মৰমবোৰ তোমালৈ পঠিয়ালো চিঠিৰ ভাষাৰে। আশাকৰো তুমি সহৃদয়েৰে গ্ৰহণ কৰিবা।

মলয়া, তোমাৰ নামটোৰ দৰেই গভীৰ তোমাৰ মৰম। আজিও একেদৰেই আছে সকলো-মই, মোৰ আকুল অনুৰাগ আৰু দুচকুত জিলমিলাই থকা তোমাৰ ছবিখন। বহু নিলগত আছা যদিও তোমাৰ উত্তাপে মোৰ অনুভূতিবোৰক সততে উমাল কৰি ৰাখে। আনৰ দৰে অভিমান কৰি হেজাৰ প্ৰশ্নৰ বৰ্ষণ কৰি মিছা প্ৰতিশ্ৰুতিৰ বানত উটি-ভাহি ফুৰিব মই নিবিচাৰো। কাৰণ আমাৰ প্ৰেমৰ স্বচ্ছ আকাশত মলিয়ন ডাৱৰৰ স্থান নাই। আছে মাথো হৃদয় জোৰা প্ৰেমৰ স্পৰ্শ। মোৰ সকলো সুখ-দুখ, হাঁহি-কান্দোন তোমাতেই আৰম্ভণি আৰু তোমাতেই শেষ। তোমাৰ কথাবোৰ, ধেমালিৰে ৰঙীন কৰি তোলা পৰিৱেশ সকলো মোৰ বৰ আপোন। প্ৰত্যেক নিশা চকু দুটা মুদাৰ লগে লগে সপোনৰ দুৱাৰেদি প্ৰৱেশ কৰি সদায় মোৰ বতৰা লোৱা, হেঁপাহ পলুৱাই মনৰ কথা কোৱা তুমি। সময়বোৰ যিমানে আগবাঢ়িছে, তোমাৰ প্ৰতি মোৰ ভালপোৱা সিমানে বাঢ়িছে।

শেষত তোমালৈ পঠালো মোৰ হৃদয় ফুলনিত ফুলি থকা প্ৰেমৰ ফুলপাহৰ সুগন্ধিময় সুবাস।

ইতি-

তোমাৰ পাগল প্ৰেমিক।

# তিনিটি খবৰ...

হীৰামনি দেৱী
*স্নাতক পঞ্চম ষাণ্মাষিক*

**দুয়োখন হাতেৰে লিখা মানুহজন**

আমেৰিকাৰ ৰাষ্ট্ৰপতি জেইম. এ. গাৰফিল্ডে দুয়োখন হাতেৰে লিখিব পাৰিছিল। তেওঁ আছিল আমেৰিকাৰ কুৰি নম্বৰ ৰাষ্ট্ৰপতি। তেওঁ একে সময়তে এখন হাতেৰে লেটিন ভাষা আৰু আনখন হাতেৰে গ্ৰীক ভাষা লিখিব পাৰিছিল।

**পৃথিৱীৰ বৃহত্তম পুথিভঁৰালৰ বিষয়ে কিছু কথা**

আমেৰিকা যুক্তৰাষ্ট্ৰৰ লাইব্ৰেৰী অৱ কংগ্ৰেছ পৃথিৱীৰ বৃহত্তম পুথিভঁৰাল। ১৮০০ চনৰ ২৪ এপ্ৰিলত স্থাপন কৰা এই পুথিভঁৰালটো ৱাশ্বিংটন ডি. চি.ৰ কেপিটেল হিলত অৱস্থিত। পুথিভঁৰালটোৰ অট্টালিকা কেইটাৰ মজিয়াৰ মুঠ মাটিকালি প্ৰায় ২৬.১৪ হেক্টৰ আৰু ইয়াৰ শাৰী শাৰী থকা কিতাপৰ থাকবোৰৰ মুঠ দৈৰ্ঘ্য প্ৰায় ৮৫৬ কিলোমিটাৰ। ১৯৮৬ চনৰ হিচাপ মতে এই "ইউনাইটেড ষ্টেট্ছ লাইব্ৰেৰী অৱ কংগ্ৰেছ"ত প্ৰায় ৯ কোটি গ্ৰন্থ, আলোচনী, বাতৰি কাকত ইত্যাদি আছে। তাৰ ভিতৰত সৰু বৰ বিভিন্ন গ্ৰন্থৰ সংখ্যা প্ৰায় ২ কোটি।

**আটাইতকৈ ডাঙৰ ফুলপাহৰ বিষয়ে...**

পৃথিৱীৰ ভিতৰত ডাঙৰ ফুলটোৰ নাম হ'ল- ৰাফ্লেছিয়া আৰ্ণল্ডি। এই ফুলটো জাভাত পোৱা যায়। ই বহলে ৫০ৰ পৰা ৭০ ছেণ্টিমিটাৰ আৰু ইয়াৰ ওজন প্ৰায় ১০ কিলোগ্ৰাম। ৰাফ্লে ছিয়া ফুলৰ কলিৰ পৰা ফুলটো ওলাওতে প্ৰায় ডেৰ বছৰ সময় লাগে, কিন্তু ফুলটো ২ বা তিনি দিনৰ ভিতৰতে মৰহি যায়। আচৰিত কথা, প্ৰকাণ্ড ফুলটোৰ গোন্ধ গেলা মঙহৰ দৰে।

# ৰৰষুণ

ভূপালী পাটোৱাৰী
*স্নাতক পঞ্চম যান্মাষিক*

তুমি
মাথোঁ এবাৰ ভাল পাই ছোৱা
তুমি ভাল পালে
আকাশত দীপাৱলী হ'ব,
এযোৰ হালধীয়া চৰাইয়ে সেউজীয়াৰ বুকুত
প্ৰেমৰ গীত গাব
তোমাৰ নো কি ক্ষতি হ'ব।।

বহুদিন তোমাৰ সান্নিধ্য
পোৱা নাই
মোৰ আউলী-বাউলী চুলিত
তোমাৰ শীতল পৰশ লগা নাই
সেউজীয়া ধাননি ডৰাইও আজি
আনন্দত নৃত্য কৰা নাই
কিন্তু কিয় জানানে?
মাথোঁ তোমাৰ বাবে।।

এনে লাগিছে যেন
তুমি বহু নিষ্ঠুৰ
নে তুমি নিষ্ঠুৰতাৰ
ভাওঁ ধৰিছা।

তুমি জানো দেখা নাই
মোৰ উদং বুকুৰ চৌপাশে থকা
টোকোলা পাহাৰবোৰ
কেনেদৰে মৰহি যাব ধৰিছে
তুমি নাই বাবেই আজি জলাশয়ৰ
যোগবোৰে দিব পৰা নাই
মাছমৰীয়া ছোৱালীৰ ওঁঠত মিঠা চুমা
সেয়ে,
কাবৌ কৰিছো তোমাক
মাথোঁ এবাৰ ভাল পাই ছোৱা
তুমি ভাল পালে
পৃথিৱী ধুনীয়া হ'ব
পাৰ যোৰে ঋণ দিব
তোমাৰ নো কি ক্ষতি হ'ব?♥

# তোমাৰ আঁচল বিচাৰি

জাহ্নৱী ৰাজবংশী
*উচ্চতৰ মাধ্যমিক দ্বিতীয় বৰ্ষ*

বুকত অযুত বেদনা, অলেখ অপ্ৰকাশ্য আশা লৈ
জীৱন কটাই আছা তুমি মা।
এই যে মই তোমাৰ পৰা এটা ক্ষণৰ বাবে
আঁতৰি গ'লেই অচেতন হৈ পৰা
কিয় মা ?
মোৰ সুখতে সুখ, মোৰ দুখতে দুখ তোমাৰ।
তোমাৰ প্ৰতিটোপাল চকুপানীত
মোৰ বাবে প্ৰেম আবেগ
তোমাৰ প্ৰতিটো মৰমত, শাসনত
সোমাই আছিল এক বান্ধোন।
শৈশৱৰ সৰু সৰু ভুলতে শাস্তি দিছিলা
আজি কিয় দিয়া নাই মা ?
আজিওতো মই বহুত ভুল কৰো।
মা, মোক ওভোতাই দিয়া সেই শৈশৱ
মই পুনৰ বিচাৰো তোমাৰ মৰমসনা শাসন।
তোমাৰ আঁচলৰ আঁৰত মোক লুকুৱাই ৰাখা মা।
কনমানি ছোৱালীজনী হৈ পৰো মই।♥

# গ্ৰন্থমেলা আৰু বৌদ্ধিক বিকাশ

শিল্পীশিখা ৰাভা
*উচ্চতৰ মাধ্যমিক দ্বিতীয় বৰ্ষ*

গ্ৰন্থমেলা ঃ ভিন্নধৰ্মী ৰুচীপূৰ্ণ গ্ৰন্থ বা কিতাপেৰে বৰ্ণাঢ্য হৈ পৰে গ্ৰন্থমেলাস্থলী। মূৰ্ত হৈ উঠে জীৱন-জিজ্ঞাসাৰ প্ৰসৰিত বাট। সৃষ্টিৰ অনাবিল উৎস এই গ্ৰন্থমেলা। গ্ৰন্থই আনি দিয়ে মানৱ দৰ্শন, শিক্ষা দৰ্শন, জ্ঞান দৰ্শন, সমাজ দৰ্শন, ধৰ্ম দৰ্শন, সংস্কৃতি দৰ্শন আৰু ঐতিহ্য দৰ্শনৰ সমাহাৰ। গতিকে আমাৰ অনুভৱী মস্তিষ্কত গ্ৰন্থই জ্বলাই জ্ঞানৰ চাকি, বুদ্ধি আৰু মেধাৰ শক্তি, জিজ্ঞাসাপূৰ্ণ আৰু বিকাশৰ লক্ষ্যপথ।

গ্ৰন্থমেলাৰ প্ৰাসংগিকতা আৰু প্ৰয়োজনীয়তা এই কাৰণে প্ৰযোজ্য যে আমাৰ ৰাজ্যখনৰ চুকে-কোণে গঢ়ি উঠা গ্ৰন্থ বিপণীসমূহত সকলো ধৰণৰ গ্ৰন্থ পোৱা নাযায়। যিবোৰ গ্ৰন্থ সময়োপযোগী শিক্ষা তথা জ্ঞান আহৰণ আৰু প্ৰায়োগিক দৃষ্টিত অতি প্ৰয়োজন তেনেবোৰ গ্ৰন্থ পাবলৈ হ'লে ৰাজ্যিক বা ৰাষ্ট্ৰীয় পৰ্যায়ত অন্ততঃ বছৰত দুখন গ্ৰন্থমেলা অনুষ্ঠিত কৰা প্ৰয়োজনবোধ হয় আৰু গ্ৰন্থবোৰ সহজে পাব পাৰি। কিয়নো গ্ৰন্থৰ চাহিদা যিহেতু আনবোৰ দিশতকৈও শিক্ষা আহৰণ কাৰ্য্যতহে প্ৰধানতঃ জড়িত হৈ আছে সেয়েহে গ্ৰন্থমেলাৰ ক্ৰিয়াশীল অৱস্থিতি প্ৰণিধানযোগ্য। ♥

# সুস্থ সমাজ গঢ়োঁ আহক

অজন্তা ৰাভা
*স্নাতক পঞ্চম ষান্মাসিক, শিক্ষা বিভাগ*

আজিৰ যুগ কম্পিউটাৰৰ যুগ। বিশ্বৰ ইমূৰৰ পৰা সিমূৰলৈ সকলো খবৰ ঘৰত বহিয়ে কম সময়তে ম'বাইল, টেলিভিশ্বন, কম্পিউটাৰৰ জৰিয়তে পাই থাকিব পাৰি। আমি দৈনন্দিন ব্যৱহাৰ কৰা প্ৰায় সকলোবোৰ বস্তু বিজ্ঞানৰেই অৱদান। কিন্তু আজিৰ নৱ-প্ৰজন্মই বিজ্ঞানৰ অৱদানসমূহ সঠিক দিশত, সঠিক ভাবে ব্যৱহাৰ কৰা দেখা নাযায়। ইয়াৰ কাৰণ হৈছে সমাজ ব্যৱস্থা, পৰিবেশ আৰু অভিভাৱকসকলৰ অসচেতনতা। দেখা যায় অভিভাৱকসকলে নিজৰ সন্তানৰ শুভ জন্মদিনত এজোপা গছপুলি ৰোৱাৰ পৰিৱৰ্তে বা এখন ভাল কিতাপ হাতত তুলি দিয়াৰ সলনি ম'বাইল বা বাইক কিনি দি উৎসাহিত কৰিছে। সমাজৰ প্ৰত্যেক ব্যক্তিয়ে নিজৰ সন্তানৰ ভাল-বেয়ালৈ চকু দিয়া আৰু তেওঁলোকে যাতে প্ৰকৃত পথৰ পৰা আঁতৰি নাযায় তাৰ প্ৰতি সচেতনতা অৱলম্বন কৰা অতি দৰকাৰ।

আমাৰ ভৱিষ্যত প্ৰজন্মক সু-মনোভাৱাপন্ন কৰি তুলি সু-নাগৰিক আৰু সৎ ব্যক্তি হিচাপে গঢ়ি তোলাৰ কাৰণে এখন সুস্থ সমাজ আৰু উপযুক্ত পৰিবেশৰ প্ৰয়োজন। সুস্থ, সৰল, সঁচা আৰু আদৰ্শ ব্যক্তি হিচাপে জীয়াই থাকি এখন শোষণমুক্ত সমাজ গঢ়িবৰ বাবে, জীয়াই থকাৰ প্ৰকৃত পথ আহৰণৰ বাবে আমাক লাগে স্বাৰ্থবিহীন চিন্তাধাৰা। ♥

# জনসংখ্যা বিস্ফোৰণ ঃ বৰ্তমান বিশ্বৰ আটাইতকৈ ভয়াবহ সমস্যা

বৰ্ণালী ছেত্ৰী *( স্নাতক তৃতীয় যান্মাসিক, শিক্ষা বিভাগ)*

বৰ্তমান সময়ত পৃথিৱীৰ জনগণৰ সন্মুখত দেখা দিয়া ভয়াবহ সমস্যাবোৰৰ ভিতৰত সবাতোকৈ ডাঙৰ সমস্যাটো হ'ল জনসংখ্যা বিস্ফোৰণ। এই সমস্যাই পৃথিৱীৰ প্ৰায়বোৰ লোককে চিন্তিত আৰু ভীতিগ্ৰস্ত কৰি তুলিছে। সাম্প্ৰতিক সময়ত জনসংখ্যা নিয়ন্ত্ৰণ কৰাটোৱে বিশ্ব মানৱতাৰ বাবে সৰ্ববৃহৎ প্ৰত্যাহ্বান হৈ পৰিছে।

জনসংখ্যা বৃদ্ধিৰ সমস্যাই সমগ্ৰ মানৱ জাতিৰ অস্তিত্বৰ প্ৰক্ৰিয়াত ভাবুকিৰ সৃষ্টি কৰিছে। বৰ্ধিত জনসংখ্যাই পাৰিপাৰ্শ্বিক অৱস্থা, জাতীয় অৰ্থনীতি, সামাজিক জীৱন প্ৰক্ৰিয়া, মানুহৰ জীৱনৰ মানদণ্ড আদি প্ৰত্যেকতে কু-প্ৰভাৱ পেলাইছে। জনসংখ্যা বৃদ্ধিয়ে পৃথিৱীৰ খাদ্যৰ নাটনি, বাসস্থানৰ নাটনি, দৰিদ্ৰতা, নিৰক্ষৰতা, নিবনুৱা সমস্যা, প্ৰদূষণ আদি এশ-এবুৰি সমস্যাৰ সৃষ্টি কৰিছে।

জনসংখ্যা বৃদ্ধি নিয়ন্ত্ৰণৰ বাবে চৰকাৰে বিভিন্ন নীতি-আঁচনি আদি প্ৰস্তুত কৰিছে যদিও সম্পূৰ্ণভাৱে সফল হ'ব পৰা নাই। কিন্তু দেশ তথা সমাজৰ উন্নয়ণ আৰু মানৱ সম্পদৰ বিকাশৰ বাবে জনসংখ্যা নিয়ন্ত্ৰণ কৰাটো অতি প্ৰয়োজনীয়। ইয়াৰ বাবে প্ৰয়োজন উপযুক্ত শিক্ষাৰ। অন্ধবিশ্বাস দূৰীকৰণ, মহিলা সৱলীকৰণ, নিৰক্ষৰতা হ্ৰাস, অনুপ্ৰৱেশৰ সমস্যা সমাধান, বিদ্যালয়ত জনসংখ্যা শিক্ষাৰ প্ৰয়োগ আদিৰ জৰিয়তেহে জনসংখ্যা শিক্ষা সম্ভৱ হ'ব। জনসংখ্যা বৃদ্ধিৰ সমস্যা এক গোলকীয় সমস্যা। সেয়েহে মানুহে সামাজিক, সাংস্কৃতিক, অৰ্থনৈতিক, শৈক্ষিক আৰু উন্নত বিজ্ঞান-প্ৰযুক্তিমূলক কৌশলসমূহ প্ৰয়োগ কৰি জনসংখ্যা নিয়ন্ত্ৰণৰ বাবে প্ৰচেষ্টা হাতত লোৱা উচিত। ♥

# প্ৰশ্ন

পৰীস্মিতা দাস *( স্নাতক পঞ্চম ষান্মাসিক, শিক্ষা বিভাগ)*

মা, অ' মা, কি কৰিছানো? সোনকালে গা ধুৱাই দিয়াহি মোক। বা, তুমি মোৰ বেগত কিতাপবোৰ ভৰাই দিয়ানা। আজি ময়ো স্কুললৈ যাম নহয়।

ৰাতিপুৱাৰ পৰাই উখল-মাখল লগাই দিছে তৰাই ঘৰখনত। আজি তাই প্ৰথমবাৰ স্কুললৈ যাব। বায়েকৰ দৰে পিঠিত বেগটো লৈ স্কুললৈ যোৱাৰ তাইৰ বহুদিনীয়া হেঁপাহ। আজি তাইৰ মনত বহুত আনন্দ। মাক আৰু বায়েকৰ হাতত ধৰি স্কুললৈ ওলাল তাই।

পথৰ দাঁতিত বায়েকৰ সতে তৰাক থিয় কৰাই থৈ মাকে তৰাৰ বাবে পানীৰ বটল কিনিবলৈ গ'ল। হঠাৎ প্ৰচণ্ড শব্দৰে কঁপি উঠিল ঠাইখিনি। চাৰিওফালে ক'লা ক'লা ধোঁৱা বিয়পি পৰিল। বায়েকক জোৰেৰে সাৱটি ধৰিলে তাই। তাৰ পিছত আৰু মনত নাই।

দুচকুৰ চকুপানীখিনি মচি ল'লে তৰাই। মাকৰ ফটোখন বুকুৰ মাজত লৈ ইমান সময়ে তাই অতীতত মগ্ন হৈ আছিল। সেই দিনটোতে তাই মাকক হেৰুৱাইছিল। বায়েক আৰু দেউতাকৰ অসীম মৰমৰ মাজেৰে ডাঙৰ হ'লেও তাই পলে পলে অনুভৱ কৰে মাকৰ মৰমৰ অভাৱ। দুচকুৰে চকুলো বোৱাই সন্ত্ৰাসবাদীসকলক প্ৰতিদিনে প্ৰশ্ন কৰে তাই- "একো দোষ নকৰাকৈয়ে কিয় মোৰ মাক মাৰি পেলালা? " মোৰ মাক ঘূৰাই দিব পাৰিবানে? " ♥

# The Arts of Arts

**Boronya R. Marak**
T.D.C. III sem.(Arts)

Creator, O Creator
Maker of the Universe:
The Planet the moon and the Stars
Out of nothing,
You made everything,
Among them you gave human being their being.

Creator, O Creator
You are their master,
But you attend the on to be their own modertors.
Over all creatures, kings you made them,
Freedom you gave them,
There destining to determine

Creator, O Creator
In love you made human being
Human love makes them human beings.
Human life is devine Art, a self realized art
Human life is Mysterious,
The greatest Art of Arts. ♥

# মাটি কঠালৰ বিভিন্ন ঔষধি গুণঃ

**অজয় ৰাভা**
*স্নাতক পঞ্চম ষান্মাসিক, বিজ্ঞান শাখা*

* কৃমি হ'লে মাটিকঠালৰ পাতৰ গুৰিৰ কুমলীয়া অংশৰ ৰস উলিয়াই কিছুদিন খালে কৃমিৰ উপদ্ৰৱ কমে। সৰু ল'ৰা-ছোৱালীৰ কৃমিৰ বাবে দাঁত কামোৰা, বমি ভাৱ আদি আৰোগ্য হয়।

* সৰু ল'ৰা-ছোৱালীৰ কৃমি ঊৰ্ধগামী হৈ শৰীৰৰ তাপ মাত্ৰা বাঢ়ি গ'লে মাটিকঠালৰ পাতৰ ৰস দিনটোত দুচামুচকৈ দুবাৰ তিনিদিন ধৰি খুৱালে উপকাৰ হয়।

* প্ৰস্ৰাৱ কম হৈ তলপেটত বিষ হ'লে মাটিকঠালৰ পাত থেতেলিয়াই পেটত ভৰণ দিব লাগে।

* বমি হ'লে মাটিকঠালৰ কুমলীয়া শিপাৰ ৰস মৌজোলেৰে খালে বমিভাৱ আঁতৰে।

* জণ্ডিচ ৰোগত পকা মাটিকঠালৰ ৰস মিচিৰিৰ পানীৰে খালে ভাল ফল পোৱা যায়।

* অৰুচিত মাটিকঠাল সৰু সৰুকৈ লৱণ মিহলাই খালে ৰুচি বাঢ়ে।♥

# উদ্ভিদ খোৱা উদ্ভিদঃ জীৱ ইন্ধনৰ উৎস হ'ব পাৰে

**জুনু বড়ো,** *স্নাতক পঞ্চম ষান্মাসিক*

জীৱ-জন্তুৱে উদ্ভিদ ভক্ষণ কৰাটো সাধাৰণ কথা। কলচী গছৰ দৰে কিছুমান উদ্ভিদে পতংগও খায়, সেইবোৰ মাংসভোজী উদ্ভিদ। কিন্তু, গছ খোৱা গছ আছেনে?

আছে। বৰ্তমানে পোৱা গৈছে তেনে এবিধ অতিশয় ক্ষুদ্ৰ সেউজীয়া শেলাই, যি অন্য উদ্ভিদ খাই নিজৰ শক্তি আহৰণ কৰে। ই সাধাৰণ উদ্ভিদৰ দৰে সালোক-সংশ্লেষণৰ সহায়তেই নিজৰ খাদ্য লাভ কৰে। কিন্তু, যেতিয়া পৰিৱেশত কাৰ্বন-ডাই-অক্সাইডৰ পৰিমাণ কম হৈ থাকে, তেতিয়া এই এককোষী শেলাই বিধে এক প্ৰকাৰৰ এনজাইম নিঃসৰণ কৰে। সেই এনজাইমে ওচৰ চুবুৰীয়া উদ্ভিদৰ চেলুল'জক হজম কৰি নিজৰ শক্তি আহৰণ কৰে। বিজ্ঞানীসকলে প্ৰকাশ কৰিছে যে নতুনকৈ আৱিষ্কাৰ হোৱা এনেকুৱা উদ্ভিদ ভৱিষ্যতে জীৱ ইন্ধন বা বায়'ফুৱেলৰ উৎস হ'বগৈ পাৰে। ♥

একাঙ্কিকা নাট

# পৰিণতি

**পৱিত্ৰ কৈৱৰ্ত্ত**

*স্নাতক তৃতীয় ষাণ্মাসিক, বিজ্ঞান শাখা*

<u>চৰিত্ৰসমূহ-</u>

১। ৰেণু- এগৰাকী আদ্‌বয়সীয়া তিৰোতা

২। পল্লৱী- ৰেণুৰ বিবাহিতা জীয়েক

৩। সঞ্জিতা- পল্লৱীৰ বান্ধৱী।

(মঞ্চত দুটা মুঢ়া। এখন সৰু টেবুলৰ ওপৰত পুৰণি টেবুল ক্লথ। মঞ্চত ৰেণুই নাম এটি গুণগুণাই বহি আছে। এনেতে সঞ্জিতাৰ প্ৰৱেশ)

সঞ্জিতা— খুড়ী, অ' খুড়ী।

ৰেণু— অ' সঞ্জিতা আইজনী দেখোন। আহা বহাহি। বহুদিনৰ মূৰত দেখোন আমাৰ এই ফালে আহিলা?

সঞ্জিতা— পল্লৱী আহিছে নেকি খুড়ী? যোৱাকালি বজাৰত তাইক দেখা পোৱা যেন পালো। সেয়েহে খবৰ এটা লওঁ বুলি আহিলো।

ৰেণু— তাই অহা বহুদিনেই হ'ল আইজনী। কিনো কম! সেইবোৰ বহুত কথা। ৰবা, তুমি বহাচোন। মই তাইক পঠিয়াই দিওঁগৈ ৰবা।

সঞ্জিতা— হ'ব বাৰু। (ৰেণুৰ প্ৰস্থান)

(অলপ পিছতে পল্লৱী সোমাই আহে)

পল্লৱী— সঞ্জিতা, কি খবৰ অ' তোৰ?

সঞ্জিতা— তই কেতিয়া আহিছ পল্লৱী? মই দেখোন গমেই পোৱা নাই। কালি বজাৰত দেখিহে...। ভালে আছ নে? পঢ়ি থকাৰ মাজতে তই এইটৰ বছৰেকীয়া পৰীক্ষাটোও নিদিয়াকৈয়ে বিয়া হৈ গ'লি। ইমান কম বয়সতে...।

পল্লৱী— (খীন হাঁহিৰে) বাপৰে। প্ৰথমে বহি লোৱাচোন। ইমানবোৰ প্ৰশ্নৰ উত্তৰ জানো একেবাৰে দিব পাৰি? কাপোৰ অলপ ধুই আছিলো। ল'ৰাটোৰেও বৰ আমনি কৰিছিল। তাক কোনোমতে শুৱাই থলো।

সঞ্জিতা— ও! তোৰ ল'ৰা এটিও জন্মিলে। আচলতে বহুত দিন, মানে তিনিবছৰ মানটো হ'লেই কিজানি। অ' হয়তো। মই কলেজ পালো এইটৰ পৰা। তই পিছে অকলে আহিছ নেকি? গিৰিয়েৰ অহা নাই?

পল্লৱী— অকলে অহা নাই অ'। তেৰোঁ আহিছিল। প্ৰায় পাঁচ মাহ মানেই হ'ল আমি অহা। কিন্তু, এমাহমান আগতে ক'ৰবাত কাম কৰাৰ বাবে ওলাই গৈ তেওঁ অহাই নাই। ফোন কৰিলেও ফোনত নাপাওঁ। মা-দেউতাহঁতৰে এতিয়া কিমান খাই থাকিম আৰু। অলপ টকা হাতত আছিল, সেয়াও শেষ হ'ল। এতিয়া বহুত চিন্তা হৈছে, তেওঁ বা ক'ত কি কৰি আছে! কেতিয়া আহিব!

সঞ্জিতা— অহ্। হয় নেকি? কি কাম কৰে তেওঁ?

পল্লৱী— আমি কেনেকৈ বিয়া হ'লো তই জানো জান সঞ্জিতা?

সঞ্জিতা— নাজানো। আৰু লগ পোৱাও নাই দেচোন তোক। আজি ক'না। এনেকৈ আৰু কেতিয়া লগ পাম নাজানো। ক' চোন আজিয়ে।

পল্লৱী— কি নো ক'ম। নিজৰ দুখৰ কথা আনৰ আগত কৈ থাকিব ভাল নালাগে অ'।

সঞ্জিতা— নহয় অ' পল্লৱী। মনৰ দুখৰ কথা আনৰ আগত খুলি ক'লে মনটো পাতল হয়। ক'চোন।

পল্লৱী— (হাতত থকা মোবাইলটো দেখুৱাই) এইটোৱেই কাল হ'ল জানা।

সঞ্জিতা— ময়ো সেই সময়ত তহঁতৰ হাতত মোবাইল থকা দেখি দেউতাক মোবাইল খুজিছিলো। কিন্তু দেউতাই কৈছিল- 'এইট্ত পঢ়ি

থাকোতে কি কাৰণে মোবাইল লাগে? প্ৰথমে ভালদৰে পঢ়। কলেজলৈ গ'লে দিম দে।' এতিয়া ক'চোন, কি কৰিলে তোৰ মৰমৰ মোবাইলটোৰে?

পল্লৱী— তোৰ দেউতাৰে সঁচাকৈয়ে ভাল কাম কৰিছে। মই দেউতাৰ কষ্টৰ টকাৰে এইটো কিনি লৈ কি যে কৰিলো।

দেখিছাই আমাৰ ইয়াত কাৰেণ্ট নাই। মই মোবাইলটো চাৰ্জ কৰি সিখন গাঁৱৰ পৰা অকলে আহি আছিলো। তেতিয়াই এটা আনচেভ্‌ নাম্বাৰৰ পৰা ফোন আহিছিল। কোনে বা কৰিলে বুলি ৰিচিভ কৰি শুনিলো এজন ল'ৰাৰ মাত। গুৱাহাটীৰ পৰা ফোন কৰিছে বোলে কোনোবা বায়েকলৈ। মই ৰং নাম্বাৰ বুলি কৈ কাটি দিলো। কিন্তু কেইদিনমান পিছত সি আকৌ ফোন কৰিলে। সিদিনা মোৰ নামটো আৰু ঘৰ ক'ত বুলি সুধিলে। ময়ো নিজৰ নাম, ঠাই সঁচাকৈ কৈ দিলো। মই তেওঁৰ নাম সোধাত 'আশিষ' বুলি ক'লে। এইদৰে এদিন দুদিনকৈ ফোন কৰোঁতে কৰোঁতে লাহে লাহে সদায় তেওঁ ফোন কৰা হ'ল। ৰাতিহে বেছিকৈ কৰা হ'ল।

(চাহ লৈ ৰেণু সোমাই আহে)

ৰেণু— চাহ খোৱা আইজনী।

পল্লৱী— মা, বাবু সাৰ পাব পাৰে, তই চাবিচোন।

ৰেণু— অ' হ'ব দে। (প্ৰস্থান)

পল্লৱী— চাহ খা।

সঞ্জিতা— খাম দে। তাৰ পিছত কি হ'ল?

পল্লৱী— তাৰ পিছত আৰু কি হ'ব? এদিন মোক ভালপাওঁ বুলি কৈ দিলে।

সঞ্জিতা— আৰু তয়ো হা বুলি কৈ দিলি?

পল্লৱী— উম্। ময়ো নেদেখাকৈয়ে ফোনত শুনা মিঠা কথাতে ভোল গৈ হা বুলিয়ে ক'লো।

সঞ্জিতা— ফোনতনো কি ভাল লগা কথা ক'লে, তই যে একেবাৰতে ভালপাওঁ বুলি ক'লি?

পল্লৱী— কিমান যে কথা পাতিছো। পঢ়া-শুনা সকলো শেষ। ৰাতিপুৱাতো পঢ়া নহয়েই, ৰাতিও কিতাপখন হাতত লোৱাৰ সময়ৰ পৰাই আহি থাকে তাৰ মেছেজ। এনেকৈ মেছেজ কৰি থাকোতেই দহটা বাজে। ভাত খাই বিচনাত উঠাৰ পিছত আকৌ ফোনটো কাণত লৈ এক ডেৰ বজালৈ প্ৰেমৰ কথা।

সঞ্জিতা— চা, তোক মোবাইলে কিমান ক্ষতি কৰিলে। মোক মোবাইল ল'বলৈ নিদি দেউতাই বহুত ভাল কৰিলে। কাৰণ তেতিয়া আমাৰ অনুসন্ধিৎসু কিশোৰী কাল। অপৰিপক্ক যৌৱনৰ হেঁপাহৰ সময়।

পল্লৱী— অ' তেওঁ কি কৈছিল জান? তেওঁলোকৰ বোলে দুখন চাহ বাগিছা আৰু এখন ডাঙৰ গেলামালৰ দাকান আছে। তেওঁ বোলে ঘৰৰ একমাত্ৰ ল'ৰা। তাৰ পিছত এদিন ফোনতে সিদ্ধান্ত লোৱা হ'ল যে মই তাৰ লগত পলাই যাম। তেওঁ মোক নিবলৈ আহিল আৰু শুক্লেশ্বৰ মন্দিৰত বিয়া পাতি তেওঁৰ লগৰ দুজনৰ লগত তেওঁলোকৰ গাঁৱৰ ঘৰলৈ লৈ গ'ল। তাৰ পিছতহে গম পালো যে তেওঁলোকৰ নিজা বাগান নাই। তেওঁৰ দেউতাক চাহ বাগানৰ চাহপাত কটিওৱা এজন বনুৱা। মাকে এখন সৰু গেলামাল দোকান দিয়ে। লগতে গধুলি গধুলি বাগানৰ মানুহে খোৱাৰ বাবে মদো বিক্ৰী কৰে। আৰু এওঁ এজন উতনুৱা। মাক-দেউতাকক দম দি টকা লৈ য'তে ত'তে ঘূৰি ফুৰে। মাজে মাজে মদো খায়।

সঞ্জিতা— ইয়ালৈ পিছে কিয় আহিলি?

পল্লৱী— মিছা নকওঁ, মোৰ শহুৰ আৰু শাহুআই বৰ ভাল জাননে? শাহুআয়ে মোক নিজৰ জীয়েকৰ দৰে মৰম কৰিছিল। বাবুটো জন্মাৰ পিছত সোণৰ চেইন এডালো দিছে। আৰু মই যে পলাই গৈছো, যৌতুক হিচাপে কিবা বিচাৰি কোনো দিনে একো কোৱা নাই। আমি ইয়াত অহাৰ পিছতো মাজে মাজে ফোন কৰি খবৰ লৈ আছে। কিন্তু ইয়ালৈ অহাৰ কাৰণ হ'ল- এদিন সিহঁত বাপেক-পুতেকে কাজিয়া কৰিলে। এওঁ কাম-বন নকৰি এনেয়ে সময় নষ্ট কৰাৰ বাবে। মই এওঁক কাম-বন কৰাৰ কথা ক'লে মোকো গালি পাৰিছিল আৰু কেতিয়াবা মাৰিছিলো। সেয়েহে সেইদিনা দেউতাকে তেওঁক ঘৰৰ পৰা বাহিৰ কৰি দিলে। শাহুআয়ে বাধা দিছিল যদিও কোনো কামত নাহিল। বাধ্যত পৰি তেওঁৰ লগতে ময়ো বাহিৰ হ'ব লগা হ'ল। ক'ত যাম, ক'ত নাযাম ভাবি ইয়ালৈকে গুছি আহিলো। ইয়াত আহি কেইহাজাৰমান টকা মাৰ দ্বাৰা সূতত লৈ এখন গেলামালৰ দোকান দি দিলো। প্ৰথমতে দুদিনমান ভালদৰে চলিল যদিও লাহে লাহে মানুহবোৰে বাকী নিওঁতে নিওঁতে দোকানৰ অৱস্থা বেয়া হৈ আহিব ধৰিলে। মানুহবোৰে বাকী নিয়া টকাবোৰ দিব নহা হ'ল। অৱশেষত দোকানখন বন্ধ কৰিব লগা হ'ল। এদিন ৰাতি তেওঁ মনে মনে গুছি গ'ল। ক'লৈ গ'ল একো গম নাপাওঁ। ফোন মাৰি মাৰিও পোৱা নাই।

(এনেতে পল্লৱীৰ হাতত থকা মোবাইল ফোনটো বাজি উঠে। ফোনটো চাই পল্লৱীয়ে মিছিকিয়াই হাঁহে।)

সঞ্জিতা— কোনে ফোন কৰিছে? তেওঁ নেকি?
পল্লৱী— নহয়, শাহু। (ফোনটো ৰিচিভ কৰে) অ' মা। ভালে আছে? আমিও ভালে আছো দিয়ক। বাবু, অ' ভালে আছে। তেওঁ... তেওঁ অলপ আগতে বজাৰলৈ ওলাই গৈছে। আহি পাব আৰু। আপুনি কি কৰি আছে মা? অ' ঠিক আছে। (ফোন ৰাখে)
সঞ্জিতা— তই শাহুৰেৰক তেওঁ বজাৰলৈ যোৱা বুলি ক'লি যে?
পল্লৱী— কি কৰিম, কচোন ক। বুঢ়ীয়ে পুতেকক কিমান যে ভাল পায়। সদায় তেওঁ ফোন কৰিলেই মই এনেকৈয়ে কৈ আছো, তেওঁ কৰবালৈ ওলাই যোৱা বুলি। তয়ে ক'চোন, মই এতিয়া কি সতে কি বুলি ক'ম? (কান্দে) তেওঁ কেতিয়া ঘূৰি আহিব? ক'ত বা কেনেকৈ আছে, কি খাই আছে! মোৰ আৰু ল'ৰাটোৰ গতি কি হ'ব এতিয়া।
সঞ্জিতা— ধৈৰ্য ধৰ। ইমান কম বয়সতে বিয়া হৈ গলি একো বুজি নোপোৱাকৈয়ে। মইনো কি ক'ম এতিয়া। আশা কৰিছো, শেষ পৰিণতি নিশ্চয় ভালেই হ'ব।♥

# জীৱনৰ বাবে কেইটামান সৰু কিন্তু প্ৰয়োজনীয় কথা

**সংগ্ৰহ- ৰূপম কলিতা**
*স্নাতক পঞ্চম ষান্মাসিক*

* যি নিজৰ জীৱনটোক ভাল পায়, তেওঁ কেতিয়াওঁ সময়ৰ অপচয় নকৰে।
* আলস্যই প্ৰতিটো কামকে কঠিন কৰি তোলে।
* বিপদক ভয় কৰা মানুহৰ বিপদ পিছে পিছেই থাকে।
* জীৱনত কেৱল আনন্দৰ সন্ধান কৰি থকাৰ সমান দুখজনক আৰু যন্ত্ৰণাদায়ক কাম আন একো নাই।
* হতাশা আৰু অসহায় অৱস্থাৰ পৰা উদ্ধাৰ পোৱাৰ একমাত্ৰ উপায় হৈছে অনৱৰতে কিবা এটা কামত ব্যস্ত হৈ থকাটো।
* কেতিয়াও পতন নোহোৱা মানুহৰ কোনো গৌৰৱ নাই, গৌৰৱ আছে বাৰে বাৰে উঠি থিয় হ'ব পৰাত।
* সেইজনেই হ'ল প্ৰকৃত মহৎ মানুহ, যিজনে নিজৰ মাজত থকা শিশুৰ হৃদয়খন কেতিয়াও হেৰুৱাই পোলোৱা নাই।♥

# জানো আহক

(বিষয়ঃ গছ আৰু ফল)

সংগ্ৰহ - বনজিত কলিতা
*স্নাতক পঞ্চম যাণ্মাসিক*

* গছৰ পৰা খৰি হয়, এই কথাটো আমি সকলোৱে জানো। কিন্তু কোনডাল গছৰ পৰা খৰি নহয় তাক জানেনে?
— কলগছ।

* ফলৰ ভিতৰত আটাইতকৈ পুষ্টিকৰ কোনটো বুলি ক'লে বহুতেই হয়তো তপৰাই ক'ব- আপেল বা আঙুৰ। কিন্তু কথাটো সঁচা নহয়। তেতিয়াহ'লে কোনটো ফল ক'ব পাৰিবনে?
— নাচপতি।

* সকলো ফলৰে সাধাৰণতে বাকলি বা গুটি থাকে। কিন্তু এইখন দেশতে এবিধ ফল আছে যাৰ বাকলিও নাই গুটিও নাই। ফলবিধৰ নাম ক'ব পাৰিবনে?
—শহতুত।

* তীব্ৰ গতিত ওখ হোৱা গছ কোনবিধ?
— বাঁহ গছ।

* জুই চিটিকি পৰা গছডাল ক'ত আছে জানেনে?
— মালয়েছিয়া।♥

# কুইজ

বিশ্বজিৎ সূত্ৰধৰ
*স্নাতক তৃতীয় যাণ্মাসিক*

১। বজ্ৰপাতৰ দেশ কাক বোলে?
— ভূটান।

২। আটাইতকৈ বেগাই যাব পৰা প্ৰাণীটো কি?
— মাখি।

৩। মাখিৰ বৈজ্ঞানিক নাম কি?
— মুছ্কা ডমেষ্টিক।

৪। মিঠা পানীৰ হ্ৰদ কোনখন?
— চুপিৰিৰ হ্ৰদ।

৫। কি গছে আটাইতকৈ বেছি দিন ফল দিয়ে?
— নাচপতি গছে। (প্ৰায় ৩০০ বছৰ)

৬। ধুমকেতুৰ দীঘল নেজডাল কিহেৰে তৈয়াৰী?
— গেছীয় কনিকাৰ দ্বাৰা।♥

# বন্ধুত্বৰ কিছু কথা

সমীৰ কলিতা
*(স্নাতক তৃতীয় যাণ্মাসিক)*

* বিশ্বাসেই বন্ধুত্বৰ প্ৰধান হাতোৰা।

* দুজন ভাল মিত্ৰৰ মাজত সন্দেহৰ অৱকাশ ঘটাব পাৰে তৃতীয়জনে।

* প্ৰকৃত বন্ধু হৈছে দুখৰ দিনৰ শান্ত্বনা

* বন্ধুবিহীন জীৱন গুৰিয়ালবিহীন নাঁৱৰ দৰে।

* বন্ধুত্ব মানেই নিঃস্বাৰ্থৰ এখন হাত।

* সমগ্ৰ পৃথিৱীয়েই আপোন হ'ব পাৰে- কিন্তু কোনো কোনোহে মাত্ৰ বন্ধু।

* পৰিচিতৰ সংখ্যা যিমানে বাঢ়ে বন্ধুৰ সংখ্যা সিমানে কমে।

* সুখৰ দিনত প্ৰচুৰ বন্ধু পোৱা যায়, দুখৰ দিনত সমব্যাথীও বহুত পাব। কিন্তু সুখ আৰু দুখত চিৰস্থায়ী বন্ধু কেৱল স্বামী আৰু স্ত্ৰীহে।

* পতান নাথাকিলে ধানৰ সমান ধন নাই, স্বাৰ্থ নাথাকিলে প্ৰেমিকাৰ সমান বন্ধু নাই।

* প্ৰকৃত বন্ধু সেইজনেই যি উৎসৱ, ব্যসন, দুৰ্ভিক্ষ, বিপ্লৱ, কৰ্ট, কাছাৰী, শ্মশানত তোমাৰ লগত থাকে।♥

# সাঁথৰ

লিন্ময় তামূলী

১। যদিও নপৰো মই ফুলৰ শাৰীত
তথাপিও লাগে মোক পূজাৰ বেদীত
শংখ আছে গাত কিন্তু শামুক নহয়,
চোলা আছে গাত কিন্তু মানুহ নহয়
সেইটোনো কি বস্তু কোৱাচোন ভাই?
উত্তৰঃ- নাৰিকল।

২। কি চাই আছা মোক
খাই থ'ম তোক
চাব আহিব মোক, লৈ যাব তোক?
উত্তৰঃ-চেপা।

৩। তিনিটা আখৰক জগতে পঢ়ে, প্ৰথমৰ আখৰটোক কাটি দিলে গৰম অনুভৱ কৰে।
উত্তৰঃ-কিতাপ।

৪। আগ খৰা গুৰি খৰা,
যায় গুম গুমনাহৰ বৰা।
উত্তৰঃ-ফৰমুটি।

৫। একেডাল মাৰলি, দুখন চাল, নবন্ধাকৈ বৰ্তি আছে সৰ্বতিকাল।
উত্তৰঃ-কলপাত।

৬। ইংৰাজীত দিশ বুজোৱা চাৰিটা আখৰেৰে এটা শব্দ সাজা
উত্তৰঃ-NEWS।

৭। হেৰা ভকত, খন্তেক চোৱাচোন বৈ, পিঠিৰেনো কোনে বাট বুলে যোৱাচোন কৈ?
উত্তৰঃ-নাওঁ।

৮। কাৰেণ্ট নাই লোডচেডিং, বাটেদি এখন ক'লা ৰঙৰ গাড়ী গৈ আছে। হেডলাইট জ্বলা নাই। ওলোটা ফালৰ পৰা ক'লা গৰু এটা আহি আছে। ড্ৰাইভাৰে কেনেকৈ গম পাই হৰ্ণ বজালে?
উত্তৰঃ-তেতিয়া দিন হৈ আছিল।

# কৌতুক

মন্ত্ৰী ঃ- শান্তি আহিলেহে প্ৰগতি আহিব।
এজন শ্ৰোতা ঃ- প্ৰগতি শান্তিৰ বান্ধৱী নেকি?

"মা, ছাৰে আজি মোক ইমান মাৰিলে।" "তুমি চাগে ক্লাছত গণ্ডগোল কৰি আছিলা।" " ক'তনো গণ্ডগোল কৰা দেখিলা। মই দেখোন শুয়েই আছিলো।"

ঃ দেউতা, তুমি সেইদিনা কৈছিলা যে শূন্যৰ আৱিষ্কাৰ আমাৰ দেশত হৈছিল। সেইটো বৰ গৌৰৱৰ কথা।
ঃ অ' কৈছিলো।
ঃ আজি চোৱা সেই গৌৰৱৰ বস্তুটোকে মই পালো। ছাৰে মোৰ অংকৰ বহীত শূন্য দিছে।♥

# মহৎ লোকৰ বাণী

ময়ূৰী দাস
*উচ্চতৰ মাধ্যমিক প্ৰথম বৰ্ষ*, কলা-শাখা

* হাবিত নীৰৱে ফুলা ফুলৰ দৰে প্ৰতিভাৰ বিকাশ ঘটে, চৰিত্ৰ গঠন হয় হাই-উৰুমিৰ মাজত।

— গ্যেটে।

* নিজক নিয়ন্ত্ৰণ কৰিবলৈ মুৰটো ব্যৱহাৰ কৰিবা, কিন্তু আনক বুজাবলৈ ব্যৱহাৰ কৰিবা হৃদয়খন।

— দ্যা ব্ৰিটিছ ডাইৰেক্ট।

* কিতাপ হ'ল পৃথিৱীৰ সঞ্চিত সম্পদ। জাতিৰ আৰু চামে চামে মানুহৰ উত্তৰাধিকাৰী সূত্ৰে লভা সম্পত্তি।

—হেনৰি ডেভিড থৰো।

* জীৱন আনন্দও নহয়, যন্ত্ৰনাও নহয়, ই এটা কঠিন কৰ্তব্য। সাহস আৰু আত্মোৎসৰ্গৰ মনোভাৱেৰে এই কৰ্তব্য পালন কৰাত ব্ৰতী হ'ব লাগে।

— দ্যা টাকবিল।♥

# কালজয়ী অসমৰ বাণী

* গোটেই জীৱন ধৰি দুপৰীয়ালৈ শুই থকাটো মোৰ অভ্যাস। কিন্তু অতি আন্তৰিকতাৰে সকলো ডেকা মানুহকে মই কওঁ যে ৰাতিপুৱা সোনকালে নুঠা মানুহে জীৱনত একো ডাঙৰ কাম কৰিব নোৱাৰে।

— ড° ছেমুৱেল জনছন।

* মানুহ নিজ কৰ্মদোষত দৰিদ্ৰ, মাকৰ দোষত ৰুগীয়া আৰু দেউতাকৰ দোষত মুৰ্খ হয়।

— চানক্য।

* আনৰ নিন্দা শুনিও শান্ত আৰু নীৰৱ হৈ থাকিব পৰাটো জ্ঞানী মানুহৰ লক্ষণ। মানুহৰ বিচাৰে শেষ কথা নহয়।

— টমাছ এ মেম্পিছ।

* যি মানুহে কেতিয়াওঁ ভুল নকৰে তেওঁ জীৱনত আন একোৱে নকৰে।

— ই, জে, ফেলপছ।

* সুৰা আৰু বেশ্যাই মানুহক ধ্বংস কৰিছে, তাতকৈ বহুত বেছি মানুহক ধ্বংস কৰিছে নিজৰ পত্নী আৰু সন্তানক সুখ-স্বাছন্দ্যত ৰখাৰ ইচ্ছাই।

— উইলিয়ম বাটলাৰ ইয়েটছ।

* যি মানুহে শিশু অৱস্থাত মাকৰ মৰম বেছিকৈ পায়, তেনে মানুহে গোটেই জীৱন ধৰি নিজকে বিজয়ী বুলি অনুভৱ কৰি থাকে। তেওঁৰ মনলৈ এনে এটা ভাৱ আহি থাকে যে তেওঁ জীৱনত কৃতকাৰ্য হ'বই। এই আত্মবিশ্বাসে তেওঁক কৃতকাৰ্য হোৱাত সহয় কৰে।

— আৰ্ণেষ্ট জোনছ।

* যিয়ে এবাৰ বিশ্বাস ঘাটকতা কৰিছে তেওঁক পুনৰ বিশ্বাসত নল'বা

— উইলিয়াম শ্বেক্সপীয়েৰ।

* তোমাক কি লাগে তাক তুমি অমৃতৰ দৰে মিঠা কথাৰে আদায় কৰিব পাৰা কিন্তু তৰোৱালৰ বলেৰে নোৱাৰা।

— উইলিয়াম শ্বেক্সপীয়েৰ।♥

সংগ্ৰহ- শ্ৰীভৱেশ মেধি
*(স্নাতক তৃতীয় ষান্মাসিক)*